# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 13-10-2026
**Time :** 0705 HRS.

ASSAMESE NSD MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। নতুন দিল্লীত ভাৰতে আজি গৃহ মন্ত্ৰীসকলৰ প্ৰথমখন বীমষ্টেক বৈঠক আয়োজন কৰিছে।

২। বিদেশী বৰঙণি (নিয়ন্ত্ৰণ) সংশোধনী বিধেয়ক ২০২৬ পৰীক্ষণৰ উদ্দেশ্যে গঠিত যুটীয়া সংসদীয় সমিতিৰ এখন বৈঠক কালি অনুষ্ঠিত হয়।

৩। ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হ'ব পৰাকৈ কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় ইস্পাত নীতিৰ খছৰা প্ৰস্তুত কৰি উলিয়াইছে।

৪। জম্মু কাশ্মীৰৰ পুঞ্চ জিলাত কালি লস্কৰ-ই-তৈবাৰ কমাণ্ডাৰকে ধৰি চাৰিজন সন্ত্ৰাসবাদীৰ নিয়ন্ত্ৰণ ৰেখাৰ সমীপত হোৱা লেণ্ড মাইন বিস্ফোৰণত মৃত্যু হয়।

***আৰু***

৫। ডেনমাৰ্ক অ'পেন ২০২৬ বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ পি ভি সিন্ধু আৰু সাত্বিকসাইৰাজ ৰানকীৰেড্ডী আৰু ছিৰাগ ছেট্টীয়ে ভাৰতীয় দলৰ নেতৃত্ব দিব।

ooooo

নতুন দিল্লীত ভাৰতে আজি গৃহ মন্ত্ৰীসকলৰ প্ৰথমখন বীমষ্টেক বৈঠক আয়োজন কৰিছে। এই বৈঠকত সন্ত্ৰাসবাদ, সীমান্তৰ সীপাৰৰ পৰা উদগনি যোগোৱা অপৰাধ, মাদকদ্ৰব্য সৰবৰাহ, ধনৰ অবৈধ প্ৰবাহ আৰু ছাইবাৰ অপৰাধজনিত দিশসমূহ আলোচনা কৰা হ'ব। সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে এই বৈঠকৰ জৰিয়তে পাৰস্পৰিক সুৰক্ষাজনিত প্ৰত্যাহ্বান বিশেষকৈ সন্ত্ৰাসবাদ, সংগঠিত অপৰাধ আদিৰ বিৰুদ্ধে প্ৰতিৰোধ গঢ়ি তোলা আৰু সহযোগিতা শক্তিশালী কৰাৰ উদ্দেশ্যে এই বৈঠক আয়োজন কৰা হৈছে। তেওঁ কয়, যে নিৰ্ণায়ক সহযোগিতাৰ মাজেৰে সদস্য ৰাষ্ট্ৰসমূহে নিৰাপদ আৰু শক্তিশালী বীমষ্টেক অঞ্চল গঢ়ি তোলাৰ বাবে প্ৰতিজ্ঞাবদ্ধ হ'ব। বহুমাত্ৰিক প্ৰযুক্তিগত আৰু অৰ্থনৈতিক সহযোগিতাৰ বাবে বে অফ বেংগল ইনিছিয়েটিভ বা বীমষ্টেক হৈছে বাংলাদেশ, ভূটান, ভাৰত, ম্যানমাৰ, নেপাল, শ্ৰীলংকা আৰু থাইলেণ্ডক সামৰি লোৱা এটা আঞ্চলিক গোট। এই গোটৰ লক্ষ্য হৈছে বংগ উপসাগৰৰ সীমান্তৱৰ্তী দেশ তথা ইয়াৰ চুবুৰীয়া দেশসমূহৰ মাজত অৰ্থনৈতিক আৰু প্ৰযুক্তিগত সহযোগিতা শক্তিশালী কৰা। বাংলাদেশৰ গৃহমন্ত্ৰী ছালাহুদ্দিন আহমেদৰ পৰিৱৰ্তে এই দুদিনীয়া বৈঠকত দেশখনৰ গৃহ পৰিক্ৰমা বিভাগৰ জ্যেষ্ঠ সচিব মঞ্জুৰ মৰ্ছেদ চৌধুৰীয়ে প্ৰতিনিধিসকলৰ সৈতে অংশ ল'ব।

ooooo

নতুন দিল্লীৰ সংসদ চৌহদত কালি বিদেশী বৰঙণি (নিয়ন্ত্ৰণ) সংশোধনী বিধেয়ক ২০২৬ পৰীক্ষাৰ উদ্দেশ্যে গঠিত যুটীয়া সংসদীয় সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। সমিতিয়ে বিধেয়কখনৰ বিধানসমূহ পৰীক্ষা কৰি চলিত বৰ্ষৰ শীতকালীন অধিৱেশনৰ প্ৰথম সপ্তাহৰ শেষৰ দিনা সংসদত এই সন্দৰ্ভত প্ৰতিবেদন দাখিল কৰিব। লোকসভাৰ বিজেপি সাংসদ সঞ্জয় জয়ছোৱালে অধ্যক্ষতা কৰা এই বৈঠকত সমিতিয়ে ইয়াৰ সৈতে জড়িত বিভিন্ন পক্ষৰ প্ৰতিনিধিসকলৰ মতামত আৰু পৰামৰ্শ গ্ৰহণ কৰে। ইয়াৰ অংশীদাৰসকলৰ ভিতৰত ভাৰতীয় ছাৰ্টাৰ্ড একাউণ্ট প্ৰতিষ্ঠান কেথ'লিক বিচপ কনফাৰেন্স অব ইণ্ডিয়া, অখিল ভাৰতীয় খ্ৰীষ্টান পৰিষদ আদিৰ প্ৰতিনিধিও আছে। সমিতিয়ে বিধেয়কখন সন্দৰ্ভত ৰাজ্যসভাৰ সাংসদ তথা জ্যেষ্ঠ অধিবক্তা কপিল চিববালৰ সৈতেও আলোচনা কৰে। এই সমিতিত লোকসভাৰ অধ্যক্ষই বাচনি কৰা ২১ গৰাকী সদস্যৰ লগতে ৰাজ্যসভাৰ ১০ গৰাকী সদস্য আছে। বিধেয়কখনৰ উদ্দেশ্য হৈছে বিদেশী বৰঙণি নিয়ন্ত্ৰণ আইন ২০১০ৰ সংশোধন ঘটাই বিদেশৰ বৰঙণিসমূহ ফলপ্ৰসূভাৱে ব্যৱহাৰ তথা জবাবদিহি কৰাৰ ব্যৱস্থা কৰা।

০০০০০

জম্মু কাশ্মীৰৰ পুঞ্চ জিলাত কালি লস্কৰ-ই-তৈবাৰ কমাণ্ডাৰকে ধৰি চাৰিজন সন্ত্ৰাসবাদী নিয়ন্ত্ৰণ ৰেখাৰ সমীপত লেণ্ড মাইন বিস্ফোৰণত মৃত্যু হয়। নিহত সন্ত্ৰাসবাদী কেইজন লস্কৰ-ই-তৈবাৰ কমাণ্ডাৰ মহম্মদ ফাইজান, মহম্মদ ইষ্টিয়াক, মহম্মদ ৰাকাছ আৰু মহম্মদ আছিম বুলি চিনাক্ত কৰা হৈছে। আটাইকেইজন পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰৰ পুঞ্চ জিলাৰ হাজিৰা টেহছিলৰ মাণ্ডালা, মাদাৰপুৰৰ বাসিন্দা বুলি জানিব পৰা গৈছে। সন্ত্ৰাসবাদী গোটটোৱে  নিয়ন্ত্ৰণ ৰেখা পাৰ হ'ব খোজোতে যোৱা সন্ধিয়া মাইন বিস্ফোৰনত নিহত হয়। শক্তিশালী বিস্ফোৰনটোত চাৰিওজন সন্ত্ৰাসবাদী থিতাতে নিহত হয়। বিস্ফোৰন সংঘটিত ঠাইখিনি সীমান্ত পাৰ হৈ অবৈধভাৱে ভাৰত ভূখণ্ডত প্ৰৱেশৰ পথ হিচাপে পৰিচিত  নাঙি টাক্ৰি অঞ্চলৰ ছাটোৱাল-নাকি বুলি জানিব পৰা গৈছে।

০০০০০

মধ্য নেপালত শেহতীয়াকৈ হোৱা বানে পাহাৰীয়া পথ আৰু ভালেমান দলং উটুৱাই নিয়াৰ ফলত ১০০ জনতকৈও অধিক বিদেশী পৰ্বতাৰোহী বিভিন্ন স্থানত আবদ্ধ হৈ আছে। দেশখনৰ কৰ্তৃপক্ষই এতিয়ালৈকে ১২ জন বিদেশী লোককে ধৰি ৩২১ জন লোকক উদ্ধাৰ কৰিছে। কালি পুৱতি নিশা কাঠমাণ্ডুৰ পৰা প্ৰায় ১০০ কিলোমিটাৰ পশ্চিমত গোৰ্খা জিলাত হোৱা ভূমিস্খলনৰ ফলত বুঢ়ী গণ্ডকী নৈৰ পানী আবদ্ধ হৈ ইয়াৰ নামনি অংশত প্ৰবল বানৰ সৃষ্টি কৰে। সেনা বাহিনীয়ে আজিও উদ্ধাৰ অভিযান অব্যাহত ৰাখিব বুলি জানিবলৈ দিছে। ত্ৰিশূলী নৈৰ উপ-নৈ বুঢ়ী গণ্ডকী নৈত যোৱা আগষ্টত হিমবাহ খহি হোৱা ভয়াবহ বানত এহেজাৰ ৪৫৭ জন লোকে প্ৰাণ হেৰুওৱাৰ উপৰি সহস্ৰাধিক লোক সন্ধানহীন হয়। শেহতীয়া বানত এতিয়ালৈকে কোনো লোকৰ প্ৰাণহানি হোৱা নাই।

০০০০০

২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হ'ব পৰাকৈ কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় ইস্পাত নীতিৰ খছৰা প্ৰস্তুত কৰি উলিয়াইছে। এই নীতিৰ জৰিয়তে দেশৰ বৰ্ধিত ইস্পাতৰ প্ৰয়োজন  পূৰণ কৰাৰ লগতে গোলকীয়ভাৱে ভাৰতক এক শক্তিশালী স্থানলৈ উন্নীত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই নীতিয়ে ভাৰতৰ ইস্পাতৰ জনমুৰি আয়ৰ ব্যৱহাৰ এতিয়াৰ ১১৬ কিলোগ্ৰামৰ পৰা  ৩০২ কিলোগ্ৰাম কৰিব বুলি আশা কৰা হৈছে। ২০১৪-১৫ বৰ্ষত ইস্পাতৰ উৎপাদন ৮৯ নিযুত টন আছিল যদিও ২০২৫-২৬ বৰ্ষত এই পৰিমাণ ১৭০ নিযুত টনলৈ বৃদ্ধি পাইছে। এই নীতিয়ে ২০৪৭ চনৰ ভিতৰত ভাৰতৰ পৰা ৰপ্তানি হ'ব পৰা ইস্পাতৰ পৰিমাণ ৪৫ মেট্ৰিকটন কৰিব বুলি অনুমান কৰা হৈছে। ইয়াৰ লগতে বৰ্তমানৰ ইস্পাতৰ ব্যৱহাৰ ২০৪৭ চনলৈকে ৪০৬ নিযুত টন বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। এই খছৰাখনে আন্তঃগাথনি, গৃহ নিৰ্মাণ, যোগাযোগ ব্যৱস্থা, নৱীকৰণযোগ্য শক্তি আৰু নিৰ্মাণ উদ্যোগসমূহত ইস্পাতৰ ব্যৱহাৰ বৃদ্ধি কৰাৰ ওপৰত জোৰ দিছে। ইয়াৰ লগতে পৰিষ্কাৰ

ইস্পাত উৎপাদনৰ জৰিয়তে কাৰ্বনডাই অক্সাইড গেছৰ ২ দশমিক ৫-৪ টনৰ নিৰ্গমনৰ পৰিমাণ কমাই ২০৪৭ চনলৈকে ১ দশমিক ৫-৪ টনলৈকে হ্ৰাস কৰিব বুলি আশা কৰা হৈছে। এই ক্ষেত্ৰত বৃহৎ পৰিসৰত শক্তিৰ কাৰ্যকাৰিতা, নৱীকৰণযোগ্য বিদ্যুৎ শক্তি, আৱৰ্জনা হিচাপে পৰি ৰোৱা ষ্টীলৰ সামগ্ৰীসমূহৰ ব্যৱহাৰ আৰু হাইড্ৰ'জেনৰ জৰিয়তে ইস্পাত উৎপাদনৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হৈছে। এই নীতিয়ে ঘৰুৱাভাৱে শক্তিশালী আৰু উন্নত মানৰ ইস্পাতৰ উৎপাদন, আৱৰ্জনা হিচাপে থকা ইস্পাত সংগ্ৰহ আৰু এই সমূহ পুনৰ ব্যৱহাৰযোগ্য হিচাপে নিৰ্মাণ কৰা আৰু স্থানীয়ভাৱে নিৰ্মিত ইস্পাত উৎপাদনৰ প্ৰযুক্তিৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিছে। এই নীতিত কৃত্ৰিম বুদ্ধিমত্তা, অটোমেছন আৰু ডিজিটেল প্ৰযুক্তিৰ জৰিয়তে যাতে উন্নতমানৰ ইস্পাতৰ উৎপাদন বঢ়াব পৰা যায়, এই বিষয়েও উল্লেখ কৰিছে।

০০০০০

ভাৰত আৰু ইৰানৰ জ্যেষ্ঠ নিৰাপত্তা বিষয়াসকলে পাৰস্পৰিক স্বাৰ্থ জড়িত শেহতীয়া আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় ঘটনাক্ৰম তথা উন্নয়ন সন্দৰ্ভত আলোচনা কৰে। নতুন দিল্লীত থকা ইৰানৰ দূতাবাসে সামাজিক মাধ্যমত শ্বেয়াৰ কৰা এটা পোষ্টৰ জৰিয়তে কয়, যে ইৰানৰ ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদৰ প্ৰধান মহছেন ৰেজায়ে কালি সন্ধিয়া ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত দোভালৰ সৈতে টেলিফোন যোগে বাৰ্তালাপ কৰে।

০০০০০

২০২৬ বৰ্ষৰ অৰ্থনীতিৰ নবেল বঁটা আমেৰিকাৰ অৰ্থনীতিবিদ ৰবাৰ্ট ই হল আৰু মাইকেল উদফৰ্ডলৈ আগবঢ়োৱা হৈছে। দুয়োগৰাকী অৰ্থনীতিবিদে উত্থান আৰু মন্দাৱস্থাৰ সময়ত নীতি নিৰ্ধাৰকসকলক অৰ্থনীতি সুস্থিৰ কৰাত সহায় কৰা আৰ্হি প্ৰস্তুত কৰিছে। ৰয়েল ছুইডিছ একাডেমী অৱ চায়েন্সে কয়, যে তেওঁলোকৰ এই কাৰ্যই বিত্তীয় আৰু মুদ্ৰানীতি তত্বৰ ভিত্তি সুদৃঢ় কৰাৰ লগতে চৰকাৰ আৰু কেন্দ্ৰীয় বেংকৰ অৰ্থনৈতিক উত্থান পতনৰ সৈতে মোকাবিলা কৰাৰ ক্ষমতা উন্নত কৰিছে। নবেল সমিতিয়ে কয় যে ভৱিষ্যতৰ অৰ্থনীতিৰ প্ৰতি লক্ষ্য ৰাখি পৰিয়াল আৰু ব্যৱসায়িক প্ৰতিষ্ঠানসমূহে ব্যয়, সঞ্চয়, বিনিয়োগ আৰু মূল্য নিৰ্ধাৰণ সন্দৰ্ভত গ্ৰহণ কৰা সিদ্ধান্তৰ ওপৰত ভিত্তি কৰি এই আৰ্হি প্ৰস্তুত কৰা হৈছে। দুয়োগৰাকী অৰ্থনীতিবিদৰ গৱেষণাই নীতি নিৰ্দেশকসকলক চৰকাৰী নীতি আৰু কেন্দ্ৰীয় বেংকৰ অৰ্থনৈতিক কাৰ্যকলাপক কিদৰে প্ৰভাৱিত কৰে সেই বিষয়ে বুজাত সহায় কৰিছে। এই আৰ্হি বৰ্তমান বিশ্বৰ কেন্দ্ৰীয় বেংক আৰু চৰকাৰৰ বাবে অতি প্ৰয়োজনীয়। ৰবাৰ্ট ই হল ষ্টেনফৰ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰু মাইকেল উদফৰ্ড কলম্বিয়া বিশ্ববিদ্যালয়ৰ অধ্যাপক। এই বঁটাৰ ধন দুয়োগৰাকী অৰ্থনীতিবিদৰ মাজত সমানে ভাগ হ'ব।

০০০০০

ডেনমাৰ্ক অ'পেন ২০২৬ বেডমিণ্টন প্ৰতিযোগিতাত বি ডব্লিউ এফ ৱাৰ্ল্ড ট্যুৰ খিতাপ বিজয়ী ভাৰতৰ পি ভি সিন্ধু আৰু সাত্বিকসাইৰাজ ৰানকীৰেড্ডী আৰু ছিৰাগ ছেট্টীয়ে ভাৰতীয় দলৰ নেতৃত্ব দিব। কাইলৈৰ পৰা আৰম্ভ হ'বলগীয়া এই প্ৰতিযোগিতাত মহিলাৰ ছিংগলছত সিন্ধুৱে বিশ্বৰেংকৰ প্ৰথম স্থানৰ খেলুৱৈ কোৰিয়া গণৰাজ্যৰ ছে ইয়াঙৰ মুখামুখি হ'ব। মহিলাৰ ছিংগলছত পি ভি সিন্ধুৰ লগতে তানভি শৰ্মা, অস্মিতা চলিহা, দেৱীকা ছিহাগ আৰু উন্নতী হুদায়ো অংশ ল'ব।

পুৰুষৰ ছিংগলছত লক্ষ্য সেন, আয়ুষ ছেট্টী আৰু বিশ্বৰেংকৰ প্ৰথম স্থানৰ খেলুৱৈ কিডাম্বি শ্ৰীকান্তে অংশ ল'ব। পুৰুষৰ ডাবলছত সাত্বিকসাইৰাজ আৰু ছিৰাগে এছিয়ান গেমছ ২০২৬ত কোৱাৰ্টাৰ ফাইনেলৰ পৰা বাহিৰ হোৱাৰ পাছত প্ৰথমবাৰলৈ এই প্ৰতিযোগিতাত ভাগ ল'ব।

০০০০০

সমাপ্ত